
EUROPEAN COMMISSION
Humanitarian Aid

# সুৰক্ষা বাৰ্তা

actionaid

GRAMYA VIKASH MANCHA
SERVE PEOPLE TO SERVE GOD
ESTD. 1999




দ্বিতীয় বছৰ

প্ৰথম সংখ্যা

## দুৰ্যোগ ব্যৱস্থাপনা

দুৰ্যোগ ব্যৱস্থাপনা হ'ল ব্যক্তি সম্পদ সমাজৰ ক্ষয়-ক্ষতিৰ আশংকা হ্ৰাস বা তেনে বিষয় সম্পৰ্কীয় কাৰ্য্যকলাপৰ ব্যৱস্থাপনাৰ বাবে এটি শৃংখলাবদ্ধ বিষয়। সমাজক প্ৰাকৃতিক বা মানুহৰ কাৰ্য্যৰ বাবে হোৱা সকলো ধৰণৰ দুৰ্যোগ মোকাবিলাৰ বাবে সাজু কৰা, মোকাবিলাৰ ক্ষেত্ৰত সহযোগ কৰা, দুৰ্যোগৰ পিছত পুনৰ সংস্থাপিত কৰা আদি বিষয় দুৰ্যোগ ব্যৱস্থাপনাৰ অন্তৰ্গত।

দুৰ্যোগ ব্যৱস্থাপনাৰ প্ৰক্ৰিয়া চাৰিটা ভাগত বিভক্ত হোৱা দেখা যায়, সেয়া হ'ল ঃ-

ক) ক্ষয়-ক্ষতিৰ আশংকা হ্ৰাস (Mitigation)
খ) পূৰ্ব-প্ৰস্তুতি (Preparedness)
গ) সঁহাৰি (Response)
ঘ) পুনৰোদ্ধাৰ/পুনৰসংস্থাপন (Recovery)

এই চাৰিটা ভাগ বা পদক্ষেপৰ প্ৰথম আৰু দ্বিতীয়টো দুৰ্যোগৰ আগৰ প্ৰক্ৰিয়া আৰু তৃতীয়টো দুৰ্যোগ কালীন সময়ছোৱাত বা ঠিক তাৰ পিছতে, চতুৰ্থটো দুৰ্যোগ ব্যৱস্থাপনা চক্ৰৰ অন্তিম পৰ্য্যায়। এই প্ৰতিটোভাগৰে প্ৰক্ৰিয়া তথা কাৰ্য্যক্ৰম বেলেগ যদিও ইটোৰ লগত আনটোৰ সম্পৰ্ক থকা দেখা যায়। চাৰিওটা ভাগৰ প্ৰধান কাৰ্য্যসমূহ এনে ধৰণৰ—

ক) ক্ষয়-ক্ষতিৰ আশংকা হ্ৰাস ঃ-
লক্ষ্য ঃ দুৰ্যোগৰ প্ৰভাৱ হ্ৰাসকৰণ
কাৰ্য্য ঃ আন্ত-গাঠনি মজবুত কৰা, দূৰ্দশাগ্ৰস্ততাৰ বিশ্লেষণ, জনশিক্ষা, বিপদজনক স্থান চিহ্নিত কৰা, গৃহ নিৰ্মানৰ মান নিৰ্দ্ধাৰন ইত্যাদি।


খ) পূৰ্বপ্ৰস্তুতি ঃ
লক্ষ্য ঃ উপযুক্ত সময়ত উপযুক্ত সহাৰিৰ বাবে পৰিকল্পনা প্ৰস্তুতি
কাৰ্য্য ঃ পূৰ্ব-প্ৰস্তুতিৰ আঁচনি নিৰ্দ্ধাৰন, প্ৰাথমিক চিকিৎসা, উদ্ধাৰ বিষয়ক জ্ঞান আৰু প্ৰশিক্ষন, আগজাননীৰ ব্যৱস্থা স্থাপন।

গ) সহাৰি ঃ
লক্ষ্য ঃ দুৰ্যোগৰ পৰা উদ্ভৱ হব পৰা আঘাতৰ মাত্ৰা হ্ৰাস কৰা
কাৰ্য্য ঃ উদ্ধাৰ, জৰুৰী সাহাৰ্য্য প্ৰদান, নিৰাপদ স্থানলৈ স্থানান্তৰ আৰু শুশ্ৰূষা প্ৰদান

ঘ) পুনৰসংস্থাপন ঃ
লক্ষ্য ঃ স্বাভাবিক অৱস্থালৈ ঘুৰাই অনা।

✍ পৃথিভূষণ ডেকা







দুৰ্যোগৰ ক্ষয়-ক্ষতিৰ আশংকা প্ৰশমণৰ কৌশল আৰু পদ্ধতি সমূহৰ উন্নয়ন তথা শক্তিশালীকৰণ প্ৰকল্প, অসমৰ আৰম্ভণি পৰ্যায়ত স্বেচ্ছাসেৱক/ শিক্ষকসকলৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ দুটি দৃশ্য



গুৱাহাটীৰ খাৰঘূলিৰ ডনবস্ক প্ৰতিষ্ঠানত প্ৰকল্প এলেকাৰ অন্তৰ্গত বিভিন্ন শ্ৰেণীৰ প্ৰতিনিধিৰ মাজত হোৱা প্ৰশিক্ষণ আৰু সজাগতা কাৰ্যসূচীৰ এটি দৃশ্য




প্ৰকল্পৰ অন্তৰ্গত বিদ্যালয়সমূহৰ শিক্ষকসকলৰ লগত পাঠ্যক্ৰমত দুৰ্যোগ বিষয় অৰ্ন্তভুক্তিৰ বিষয়ে কৰা আলোচনাৰ এটি দৃশ্য



ছাত্ৰ-ছাত্ৰীসকলক দিয়া উদ্ধাৰ আৰু সাহাৰ্য কাৰ্যৰ প্ৰশিক্ষণৰ এটি মূহূৰ্ত



প্ৰকল্পটোৰ অন্তৰ্গত বিদ্যালয় সমূহৰ ছাত্ৰ-ছাত্ৰীক লৈ গঠন কৰা 'নতুন দিশ' নামৰ কাটুন ক্লাবৰ এখন সভাৰ দৃশ্য






যোৱা ২০০৯ চনৰ ২৯ অক্টোবৰত গ্ৰাম্য বিকাশ মঞ্চৰ কাৰ্যলয় চৌহদ বৰবৰীত অনুষ্ঠিত কৰা ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমণ দিৱসৰ মানৱ শৃংখল আৰু মুকলি সভাৰ দুটি দৃশ্য

গল্প

# বেদনাহীন মৃত্যু

আজি ইংৰাজী মে মাহৰ ২৫ তাৰিখ। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ৰিজাল্ট দিছে। অসমৰ ভিতৰত তৃতীয় স্থান লাভ কৰিছে বৰষা কলিতাই। আজি বহু মানুহৰ উপৰিও সাংবাদিক সকলে সোধ-পোছ কৰিবলৈ বৰষা কলিতাৰ ঘৰলৈ গৈছে। অচিনাকী মানুহবোৰে তাইক চাবখোজে, লগ পাব বিচাৰে। কিন্তু তাইক এতিয়ালৈ কোনেও লগ পোৱা নাই। মানুহবোৰে ভাবে তাই লাজত বাহিৰলৈ ওলোৱা নাই, হয়তো লাজকুৰীয়া স্বভাৱৰ। আজি তাইৰ মাক-দেউতাকে বহু কান্দিছে। সেই অচিনাকীমানুহবোৰে ভাবে এয়া মাক-দেউতাকৰ আনন্দৰ চকুলো। কিন্তু কোনে জানে এই আনন্দ প্ৰত্যক্ষভাবে উপভোগ কৰিব পোৱা নাই, কিন্তু তাই পৰোক্ষভাবে অৰ্থাৎ দূৰ-দূৰণিৰ পৰা নিশ্চয় উপভোগ কৰি আছে। কোনে জানে তাইৰ মাক-দেউতাকৰ চকুলোৰ মাজত দুখ আৰু আনন্দ দুয়োটাই লুকুৱাই আছে। সকলোৰে এই ৰহস্যৰ কথা জানিব বিচাৰে। তেতিয়াই ভিতৰৰ পৰা বৰষাৰ বায়েক নিশা ওলাই আহিল। আৰু কবলৈ ধৰিলে..................

নিয়তিৰ নিষ্ঠুৰ খেল বহু দেখিলো কিন্তু বৰষাৰ লগতো এনে কিছুমান নিষ্ঠুৰ খেল-খেলিব বুলি আমি সপোনতো ভবা নাছিলো।

মানুহৰ সমাগমৰ পৰা এজনে সুধিছিল- 'তুমি কি কব খুজিছা, মাজনী ? নিয়তিৰ নিষ্ঠুৰ খেল ? বৰষাৰ লগত কি হৈছিল ? আৰু তাই ইমান সময় ওলাই অহা নাই কিয় ?

বায়েক নিশাই হুক-হুকাই কান্দি পেলালে। আৰু কবলৈ ধৰিলে.............

'ইমানবোৰ প্ৰশ্নৰ উত্তৰ একেলগে কব নোৱাৰিম। আপোনালোকে জানিব বিচাৰে যদি মই এফালৰ পৰা কৈছো শুনক- কিছুদিন আগৰ কথা। কাৰো লগত কাজিয়া কৰিব নজনা খেল-ধেমালি কৰি ৰাংঢ়ালী হৈ থকা বৰষাজনী পঢ়া-শুনাত বৰ ভাল আছিল। সিঁহতৰ স্কুলত প্ৰত্যেকবাৰে শ্ৰেণীত তাই প্ৰথম হৈছিল। তাই মাথো কেইদিনমান আগত প্ৰবেশিকা পৰীক্ষাৰ বাবে সাজু হৈছিল। পৰীক্ষাৰ আগত



মাত্ৰ পঢ়াত ব্যস্ত আছিল। লাহে লাহে দিনবোৰ অতিক্ৰম কৰিছিল তাই। পৰীক্ষাৰ সিদিনা অন্তিম দিন আছিল। পৰীক্ষা দি আহি তাইৰ যে কিমান স্ফুৰ্তি। কিয়নো তাইৰ গোটেই কেইখন পৰীক্ষা বৰ ভাল হৈছিল। সিদিনা তাই মোক বাৰে বাৰে সুধিছিল-বাইদেউ মোৰ ৰিজাল্ট ভাল হবনে ?আৰু মোক কৈছিল-পৰীক্ষাৰ ৰিজাল্ট দিবৰ দিনাখন মোৰ পৰীক্ষা ভাল হ'লে মই এনেকুৱা কৰিম, তেনেকুৱা কৰিম। ক'ত কিমান আশা আছিল তাইৰ। আজিও সেই কথাবোৰ মোৰ কাণত ভাহি থাকে। তাই আজিৰ দিনটোৰ বাবে অপেক্ষা কৰি আছিল। কিন্তু হঠাৎ এদিন তাইৰ গাটো বেয়া লগা বুলি কোৱাত মই গা মালিচ কৰি দিছিলো। লাহে লাহে তাইৰ জ্বৰো উঠিছিল। ডাক্তৰক দেখুৱাত জ্বৰ কমিল, কিন্তু মূৰৰ বিষ আৰম্ভ হৈছিল। এটাৰ পিছত এটা বেমাৰে তাইক চুই গৈছিল। গাৱৰে এজন সম্পৰ্কীয় বৰদেউতাই তাইক চহৰৰ ভাল ডাক্তৰক দেখুৱাবলৈ কৈছিল। দেউতাই সেইমতে তাইক চহৰৰ ভাল ডাক্তৰ এজনক দেখুৱাইছিল। ডাক্তৰে কৈছিল এতিয়া বহু পলম হ'ল। বৰষা আৰু বেছি দিন................ দেউতাই কৈছিল কিবা চিকিৎসা ?

ডাক্তৰে কৈছিল নাই নাই। এতিয়া সেইটো সম্ভৱেই নহয়। এতিয়া তাইৰ চিনাকী কেৱল মৃত্যুৰ লগত আৰু হয়তো এমাহৰ ভিতৰত আপোনালোকৰ চিনাকি তাইৰ লগত নাথাকিব।


আমি সকলোৱে বলিয়াৰ দৰে হৈছিলো। কিন্তু উপায় নাই। আমিও সকলোৱে ভাগ্যৰ ওপৰত এৰি দিছিলো। ডাক্তৰে কোৱাৰ দৰেই এমাহ আগতে তাই আমাৰ পৰা বিদায় ললে। এইটো সঁচা যে মোৰ, আপোনালোকৰ তাইক খুব দৰকাৰ হৈছিল। কিন্তু ভগবানৰ যে তাইক বেছি দৰকাৰ আছিল।

বৰষা, তই আজি যতেই নাথাক কিয়, ভালে কুশলে থাকিবি বুলি আশা ৰাখিছো। তই অপেক্ষা কৰা দিনটো আহিল, কিন্তু তই গুছি গ'লি। তাৰ বাবে আমি একো কৰিব নোৱাৰিলো। তাৰ বাবে আমাক ক্ষমা কৰিবি।

সকলো সমাগত মানুহ শিলৰ পৰা কপৌৰ দৰে থিয় হৈ থাকিল। লগে লগে নিৰবতাই বিৰাজ কৰিলে আৰু সকলো যেন এই নিৰবতাৰ সাক্ষী হৈ থাকিল। হয়তো বৰষাই নীৰৱতা ভংগ কৰি কব খুজিছে মোৰ মৃত্যু বেদনাহীন। মই আজি সকলো ধৰণৰ কৃতকাৰ্য্যতা লাভ কৰিবলৈ সক্ষম। মোৰ মৃত্যু বেদনাহীন। আপোনালোকৰ বৰষাই বেদনাহীন মৃত্যু লাভ কৰিছে।

**ৰিঞ্জী ডেকা**
নৱম শ্ৰেণী
শঃ শিঃ নিকেতন, বৰভাগ।

# হিংসুক মানৱ আৰু বিপন্নপ্ৰায় জীৱ-জন্তু



মানুহৰ জনসংখ্যা বৃদ্ধিৰ লগে লগে আবাস ভূমিৰ প্ৰয়োজনীয়তাই অৰণ্য অঞ্চলৰ ওপৰত আমাৰ দৃষ্টি নিবন্ধ হৈছে। বনাঞ্চলত মানুহৰ অনধিকাৰ প্ৰবেশৰ ফলত স্বাভাৱিকতে ই লাখ লাখ বছৰৰ পৰা তুলনামূলকভাবে শান্তিৰে বসবাস কৰি থকা জীৱ-জন্তু সমূহে সন্মুখীন হবলগীয়া হৈছে এক নতুন প্ৰত্যাহ্বানৰ। যাৰ ফলত আমি আজি বাতৰি কাকতত প্ৰায়ে পঢ়িবলৈ পাও 'হাতী আৰু মানুহ' ৰ সংঘাত। দুষ্ট প্ৰকৃতিৰ মানুহবোৰে প্ৰকৃতিৰ গছ-গছনি চুৰি কৰি কাটি বনাঞ্চল ধ্বংস কৰাৰ ফলত জীৱ-জন্তু আদিয়ে খাবলৈ নাপায় আৰু আশ্ৰয়ৰ বাবে ঠাই নোপোৱাত মৃত্যু মুখত পৰাও দেখা গৈছে। জন্তুৰ ভিতৰত হাতীয়ে হৈছে আটাইতকৈ ডাঙৰ জন্তু। সেয়েহে গভীৰ হাবি বনাঞ্চল নাথাকিলে এই জন্তুবোৰ সংৰক্ষন হৈ নাথাকে। আকৌ চোৰাং চিকাৰীবোৰে হাতীৰ আপুৰুগীয়া মূল্যবান দাঁতৰ বাবেও যধে-মধে বধ কৰা দেখা যায়। তাতে আকৌ চৰকাৰৰ সোপাধিলা নীতি। দুখৰ বিষয় এইটোৱে যে আমি এতিয়া উঠি অহা নৱ প্ৰজন্মবোৰে আইতাহঁতে কোৱা সাধুকথাৰ পৰাহে কিছু কিছু শুনিবলৈ পাওঁ। আমাৰ বৃহত্তৰ বৰভাগ অঞ্চলতে অতীততে হাতী, ঘোঁৰা আদি জন্তু প্ৰায়েদেখা গৈছিল বুলি আমি আইতাহঁতৰ মুখৰ পৰা শুনিবলৈ পাওঁ। কিন্তু আমাৰ প্ৰজন্মই যদি গুৱাহাটীৰ চিৰিয়াখানাক নাযায় তেতিয়াহলে হাঁতী, ঘোঁৰা বা অন্যান্য জীৱ-জন্তুবোৰক কেতিয়াও দেখা নাপাম।। এইটো ঠিক যে এনেদৰে যদি মানৱ জাতিয়েও জন্তুৰ ওপৰত ধ্বংস যজ্ঞ কৰি থাকে হয়তো এদিন চিৰিয়াখানা বা পৃথিৱীৰ পৰা এই জন্তুবোৰ বিলুপ্ত হব। সেয়ে বৰভাগৰ কোটালকুছি গাঁৱত আজি কেইবছৰমান আগৰ পৰাই মানৱ শান্তিৰ বাবে যজ্ঞ পাতে। তাতে বহুদূৰৰ পৰা এটা হাতী ভাড়াত আনে। দুখৰ বিষয় যে পুৰণি কালত বিয়া সভা হলে আজি কালি মটৰ গাড়ীৰ দৰে হাতীৰ লানি ধৰিছিল। ডাঙৰ জন্তুবিধক যদি আমি এতিয়াৰ পৰাই সংৰক্ষন নকৰো তেতিয়াহলে এটা সময়ত ই পৃথিৱীৰ পৰা নাইকীয়া হব। এই বিষয়ে চৰকাৰৰ লগতে আমিও গণ সচেতনতা গঢ়াৰ দৰকাৰ। নহ'লে ধীৰ স্থিৰ সৰল প্ৰকৃতিৰ জন্তুবিধ অচিৰেই নাইকীয়া হব।

**তাজিম উদ্দিন আহমেদ**
শ্বহীদ মুকুন্দ কাকতি বিদ্যাপীঠ, ৰণাকুছি



# দুৰ্যোগ

দুৰ্যোগে সদায় ভয়াবহতা আনে। কিছুমান দুৰ্যোগ হঠাৎ হয় আৰু কেতিয়াবা লাহে লাহে হয়। হঠাৎ হওঁক বা লাহে লাহেই হওঁক, দুৰ্যোগৰ প্ৰভাৱ সদায় সুদুৰ প্ৰসাৰী। সমগ্ৰ দেশতে দুৰ্যোগৰ ক্ষয়-ক্ষতিৰ পৰা দিনে দিনে বৃদ্ধি পাই আহিছে। ।দুৰ্যোগে মানুহকে ধৰি সকলো বস্তুকে ঋণাত্মক প্ৰভাৱ পেলাই। দুৰ্যোগ হলে সমাজৰ দুৰ্দশাৰ মাত্ৰা অধিক বৃদ্ধি হয়। সাৱধানতা আৰু সজাগতাই দুৰ্যোগৰ ফলত হব পৰা ক্ষয়-ক্ষতিৰ পৰিমাণ হ্ৰাস কৰিব পাৰে। উন্নয়নশীল তথা অনুন্নত দেশ সমূহৰ লগতে সমাজৰ দুখীয়া শ্ৰেণীৰ দুৰ্দশাৰ আশংকা হ্ৰাস কৰাৰ বাবে আমি চিন্তা কৰাটো ভাল। জলবায়ুৰ পৰিবৰ্তনেও দুৰ্যোগৰ সলনি কৰি আহিছে। বছৰ বছৰ ধৰি বানপানীয়ে আমাৰ অসমীয়া জনগণক বহুত ক্ষতি সাধন কৰি আহিছে। অকল বানপানী নহয়, খৰাং, প্ৰৱল ধুমুহা, ইত্যাদি দুৰ্যোগ আমাৰ মাজলৈ আহি ইয়াৰ মাত্ৰা বাঢ়ি গৈছে। দুৰ্যোগে যি কোনো মুহুৰ্ততে যাকে তাকে দুৰ্দশাগ্ৰস্ত কৰিব পাৰে। অৰ্থনৈতিক সা-সম্পত্তি, ব্যক্তি ইত্যাদিয়ে দুৰ্যোগৰ মূহুৰ্তত মানুহ আৰু জীৱ জন্তুৰ জীৱনলৈ বেয়া দৃশ্যৰে দুৰ্ঘটনা কঢ়িয়াই আনিব পাৰে।

ভূমিকম্প আহিলে মজিয়াত বহিব লাগে। মজবুত মেজ বা টেবুলৰ তলত আশ্ৰয় লব লাগে আৰু মেজখন ওচৰৰ পৰা আতৰি যাব নোৱাৰাকৈ ধৰি থাকিব লাগে। যদি নিৰাপদ পথ আছে তেনেহলে সেই বাটেৰে হুৰমূৰকৈ দৌৰাদৌৰি নকৰি ধৈৰ্য্য সহকাৰে ওলাই আহক। কোনোৱাই যদি ভূমিকম্পৰ সময়ত গাড়ী চলাই থাকে তেনেহলে ৰাস্তাৰ কাষলৈ নি ৰখাব লাগে। বেয়া দলং, থিয় পাহাৰ, অথবা পুৰণা দুৰ্বল ঘৰত থাকে তেনেহলে শীঘ্ৰে নিৰাপদ বাটেৰে ওলাই আহিব লাগে। তেনেদৰে বানপানী আহিলেও ঘৰত বৈ নাথাকি ওখ ঠাই অথবা বানপানী নোহোৱা ঠাইলৈ যাব লাগে।

**পপী তালুকদাৰ**
নৱম শ্ৰেণী, বৰবৰী হাইস্কুল

**সৰু সৰু কথা ডাঙৰ ডাঙৰ ঘটনা**

আকস্মিকভাৱে পৰি হাত ভৰি ভঙা, মোচকা খোৱা, কটা-চিঙা, বোমা বিস্ফোৰণ, আহাৰৰ বিষ-ক্ৰিয়া আদিৰ দুৰ্যোগৰ সময়ত তৎকালিন চিকিৎসাৰ বাবে বিদ্যালয় সমূহত বা ঘৰত First Aid (F,A) Box ৰখাৰ ব্যৱস্থা কৰা উচিত।

কবিতা

# প্ৰলয়



ধুমুহা নাহিবি তই
প্ৰলয়ংকাৰীহে
নিপীড়িত জনসাধাৰণৰ আশাত
চেঁচা পানী ধালিবলৈ তই
সৰ্বহাৰা কৰি কিয়
প্ৰশান্তি লভিচ তই
ধুমুহা নাহিবি তই।

ঐ ভূমিকম্প
সৌ সিদিনা কটক অঘৰী কৰি
কতজনৰ যে কাঢ়িলি প্ৰাণ,
অকনমানো বেয়া নালাগিলনে তোৰ
নহ, কিয়নো তই বিবেক বান?

ঐ ভূমিকম্প
শুনিছনে তই
ক'ত শিশুৰ কৰুণ বিননি,
শুনিছনে তই কত মাতৃৰ
কৰুণ কাহিনী
আৰু ভাঙিলি তই
কত মাতৃৰ আশাৰ ৰেঙনি ।

শুনিছনে তই মাজনিশা
কত মানুহৰ কোলাহল
নিমিষতে কৰিদিলি
সকলো ছাৰখাৰ,
কত মানুহক কৰিলি দিশহাৰা
আৰু ক'ত মানুহক কৰিলি সৰ্বহাৰা
ঐ ভূমিকম্প নাহিবি, নাহিবি তই
প্ৰলয়ংকাৰী হৈ।

হেৰ বানপানী, তয়ো আহিলি নেকি?
তয়ো আহিলি নেকি সৰ্বহাৰা কৃষকৰ
মুখৰ ভাত কাঢ়ি নিবলৈ,
কত মানুহ হ'ল ভগনীয়া
কত জন যে হ'ল মগনীয়া
উটুৱাই নিলি ঘৰবাৰী
উটুৱাই নিলি খেতি বাতি
নুমুৱাই পেলালি তই মানুহৰ আশাৰ বন্তি গছি।

হে, প্ৰলয় নাহিবি
নাহিবি তই বিধংসিনী হৈ
আৰু নাহিবি,
বাৰুদৰ গুলিৰ দৰে
মানুহৰ প্ৰাণ নাশিবলৈ
কাকুতি কৰিছো
হে প্ৰলয় নাহিবি তই
প্ৰলংকাৰী হৈ।।

**ডলি দেৱী**
দশম শ্ৰেণী
প. ব. অম্বাপ্ৰিয়া চৌধাৰী ছোৱালী হাইস্কুল



# বানপানী

তোমাক মোৰ বৰ ভয় লাগে,
কিয় জানা, তুমি বৰ নিষ্ঠুৰ।
যেতিয়া তুমি আহা
তেতিয়া মোহাৰি আনা
গছ-গছনি, গৰু -মানুহ সকলোকে,
আৰু নষ্ট কৰা আমাৰ
ধুনীয়া ধাননি ডৰা।

মৌচুমীৰ আগমনত তোমাৰ
বাহুত বল উঠে নাচি
বৰষুণৰ লগে লগে ভৰি
পৰে খাল বিল, নদ-নদী
লগত লৈ আহা তুমি
নানা বেমাৰ আজাৰ
কৰি থৈ যোৱা যোৱা বহু মানুহক গৃহহাৰা ।

প্ৰাণ লোৱা জীৱ-জন্তু
আৰু মানুহৰ
সেইবাবেই কৈছো মই
গছ নাকাটিবা, পাহাৰ নাভাঙিবা
পৃথিৱীলৈ গৰম নানিবা মাতি
বৰফ গলিব, সাগৰে সাগৰে
ছুনামি হব
সকলোতে হব বানপানী।


মৌচুমী ডেকা
অষ্টম শ্ৰেণী
শ. শি. বি. নিকেতন, বৰভাগ


## পঢ়া আৰু ভাবা

দুৰ্যোগ দুই প্ৰকাৰৰ (ক) প্ৰাকৃতিক দুৰ্যোগ (খ) মানৱ সৃষ্ট দুৰ্যোগ, এতিয়া তলত দিয়া কিছুমান দুৰ্যোগৰ ৰূপৰ নাম দিয়া হৈছে। সেইবোৰ কোনটো কি ভাগত পৰিব পাৰে। ভাবি ছোৱাচোন!

| | |
|---|---|
| বানপানী | পথ দুৰ্ঘটনা |
| ভূমিকম্প | গাত জুই লগা |
| ধুমুহা | বৈদ্যুতিক শ্বক |
| ঘূৰ্ণিবতাহ | পানীত ডুবা |
| বালিৰ ধুমুহা | গছৰ পৰা সৰি পৰা |
| বা-মাৰলী | সৰ্প-দংশন |
| চুনামী | কটা-চিঙা |
| ডেমৰ বিস্ফোৰণ | বিষ খোৱা |
| ৱজপাত | বেমাৰ আজাৰ |
| আগ্নেয়গিৰি | বোমা- বিস্ফোৰণ |
| হিমপাত | যুদ্ধ-বিগ্ৰহ |
| খৰাংবতৰ | সাম্প্ৰদায়িক সংঘৰ্ষ |
| শিলাবৃষ্টি | জন বিস্ফোৰণ |
| গ্ৰীষ্ম প্ৰবাহ | মাটি প্ৰদুষণ |
| ভূমিস্খলন | বায়ু প্ৰদুষণ |
| বনজুই | শব্দ প্ৰদুষণ |

*সংগ্ৰাহক*
মঃ মজাম্মিল হুছেইন

# কু.... কু.. কুইজ- ১



পৰিচালনা ঃ প্ৰদীপ মহন্ত

১। আমাৰ সমাজত বিভিন্ন জীৱ-জন্তুৰ আচৰণত দুৰ্যোগৰ আগজাননী পোৱাৰ বিভিন্ন জন বিশ্বাস প্ৰচলিত হৈ আছে, তাৰ ভিতৰত কেকোঁৱাই যদি ৰাস্তালৈ উঠি আহে তেন্তে কি দুৰ্যোগ হব পাৰে বুলি বিশ্বাস কৰা হয়?

২। বিশ্ব পৰিৱেশ দিৱস কোন মাহৰ কিমান তাৰিখে পালন কৰা হয়।

৩। ৰিখটাৰ স্কেল কি?

৪। ১৮৯৭ চনত ১২ জুন আৰু ১৯৫০ চনৰ ১৫ আগষ্টত কি ডাঙৰ দুৰ্যোগ অসমত হৈ গৈছিল?

৫। অসমত ব্ৰহ্মপুত্ৰ নৈৰ লগতে উপনৈ সমূহো মানুহে দিনে দিনে প্ৰদূষিত কৰি আহিছে, জানানে অসমৰ সৰ্বাধিক প্ৰদূষিত নৈ কোনখন?


উত্তৰ ঃ অহা সংখ্যাত প্ৰকাশ কৰা হব।

# মোৰ মনত অহা ছবি-১



# আমাৰ কথাও এবাৰ ভাবাছোন ?

মৰমৰ ভাইটি ভন্টিহত তোমালোকে বাৰু আমি বোৰক চিনি পাইছানে? আমিবোৰ এই ধুনীয়া সেউজীয়া পৃথিৱীখনৰ পৰা লাহে লাহে নোহোৱা হৈ আহিছো। কিয় বাৰু জানানে? মানুহ নামৰ প্ৰজাতিটোৰ অত্যাচাৰত। আমাৰ কিমান যে মন এই পৃথিৱীত জীয়াই থকাৰ বাবে। তোমালোকে বাৰু আমাক এই পৃথিৱীত জীয়াই থকাৰ বাবে সহায় কৰিবানে ?





এই যে সেউজীয়া পৃথিৱীখনৰ পৰা আমাৰ লগৰে কিমান বিধ গছ-গছনি, জীৱ-জন্তু নোহোৱা হৈ গৈছে। তোমালোকে ভাবি চাইছানে? এটা কাম কৰিবাছোন তোমাৰ মা-দেউতা, ককা-আইতা হতক শুধি এখন তালিকা কৰিবাছোন, কিমান বিধ মাছ এটিয়ালৈ নোহোৱা হৈ গৈছে বা সংখ্যা কমি গৈছে। তালিকাখন গ্ৰাম্য বিকাশ মঞ্চৰ কাৰ্য্যালয়লৈ পঠাই দিবা.....।

বেয়া নাপাবাদে, অহাবাৰ পুণৰ লগ পাম।

ইতি —
তোমালোকৰ আপোন
(মই কোন বাৰু ?)

## সম্পাদকীয়ৰ পৰিবৰ্তে....

দুৰ্যোগৰ সতে মুখামুখি হৈ অহা প্ৰতিখন সমাজৰে নিজস্ব মোকাবিলাৰ কৌশল আছে। অভিজ্ঞতাৰ ভিত্তিত সৃষ্টি হোৱা তেনে মোকাবিলাৰ কৌশল একোখন সমাজৰ বাবে এক ডাঙৰ সম্পদ। সময়ৰ লগে লগে দুৰ্যোগৰ ধৰণ-কৰণ সলনি হৈ গৈ আছে, নিত্য নতুন দুৰ্যোগৰ কাৰক বৃদ্ধি হৈ গৈ আছে। আমাৰ সমাজখনক সুৰক্ষিত ভাবে ৰাখিবলৈ হলে সকলো ধৰণৰ দুৰ্যোগৰ সতে মুখামুখি হব পৰাকৈ সমাজখনক সু-সংগঠিত কৰাৰ প্ৰয়োজন, দুৰ্যোগৰ সতে মোকাবিলাৰ কৌশল আৰু অধিক সুদৃঢ় কৰণৰ প্ৰয়োজন। তাৰ বাবে প্ৰাথমিকভাবে প্ৰয়োজন তথ্য, জ্ঞান আৰু সজাগতা। তথ্য, জ্ঞান আৰু সজাগতাই সচেতনতা বৃদ্ধি কৰিব পাৰে আৰু সচেতনতাই সমাজক সুৰক্ষিত বা নিৰাপদ অৱস্থালৈ আগবঢ়াই নিয়াতে সহায় কৰে। এই ছেগতে প্ৰকল্পটিত সহায় কৰা সকলো পক্ষলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো আৰু তেখেত সকলৰ বহুমূলীয়া বৰঙনিৰ বাবে শলাগ লৈছো। এই সংখ্যা বাৰ্তালোচনীত অজানিতভাবে বৈ যোৱা ভূল-ত্ৰুতি সমূহ আঙুলিয়াই দিলে পৰবৰ্তী পৰ্য্যায়ত শুধৰণি কৰা হব আৰু আমি চিৰদিন কৃতজ্ঞ হম। শেষত বাৰ্তালোচনীখনি যি লক্ষ্যৰে প্ৰকাশ কৰা হৈছে সেই লক্ষ্যত উপনীত হবলৈ সকলোৰে সক্ৰিয় সহযোগিতা শ্ৰদ্ধাৰে কামনা কৰিলো। আহক, দুৰ্যোগৰ ক্ষয়-ক্ষতিৰ আশংকা প্ৰশমণৰ বাবে একেলগে আগবাঢ়ো। শ্ৰদ্ধাৰে-

পৃথ্বিভূষণ ডেকা

# ছবিয়েও কথা কয়



প্ৰকল্পৰ অন্তৰ্গত বিদ্যালয় সমূহৰ ছাত্ৰ ছাত্ৰী সকলৰ মাজত দুৰ্যোগ সম্পৰ্কীয় বিতৰণ কৰা হৈছে বিভিন্ন কিতাপ পত্ৰ।



ছাত্ৰ-ছাত্ৰীসকলৰ লগতে প্ৰকল্পৰ অন্তৰ্গত গাওঁসমূহত দিয়া হৈছে উদ্ধাৰ আৰু সাহাৰ্যৰ প্ৰশিক্ষণ ।




বিদ্যালয় সমূহৰ NCC, BSGৰ সদস্যসকলক দিয়া হৈছে দুৰ্যোগ সম্পৰ্কে বিভিন্ন প্ৰশিক্ষণ।



প্ৰকল্পৰ অন্তৰ্গত গাওঁসমূহত সকলো শিশুকে একত্ৰিত কৰি গঠন কৰা হৈছে শিশু মঞ্চ। য'ত আলোচনা কৰা হয় দুৰ্যোগ সম্পৰ্কীয় বিভিন্ন দিশত।



প্ৰকল্পৰ অন্তৰ্গত বিদ্যালয়ৰ ছাত্ৰীসকলে বিদ্যালয় চৌহদৰ পৰা আতৰাইছে দুৰ্যোগৰ সম্ভৱনা থকা উৎস সমূহ।



প্ৰকল্পৰ অন্তৰ্গত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী-গাওঁবাসীক দিয়া হৈছে বিভিন্ন প্ৰশিক্ষণ।




## বানপানী

হিৰ্ হিৰ্ গিৰ্ গিৰ্
বৰষুণ পৰি
ভৰি গ'ল খাল-বিল
আৰু জান-জুৰি ।
নদীবোৰেও যে থকা নাই যে ৰৈ
লগালে চাৰিওফালে
হৈ-চৈ।
হো-হোৱাই পানী আহি
নিলে সকলো টানি ,
ঘৰ-দুৱাৰ বাট-পথ
ক'তো একো নাই,
সকলোৰে একেলগে
বোলে হায় হায় ।
দেখি -শুনি মাছুবৈৰ
লাগিল বৰ ৰং ।
আনফালে কৃষকৰো
একে সমান খং ।
দুয়োজনে দুয়োজনক
কৰিলে অভিমান ,
ৰাখিব লাগিব যে
আমি আমাৰ প্ৰাণ ।

শ্ৰী পম্পী শৰ্মা
বৰবৰী হাইস্কুল (অষ্টম শ্ৰেণী)

## সুৰক্ষা বাৰ্তা

সুৰক্ষা বাৰ্তা "দুৰ্যোগৰ ক্ষয়-ক্ষতিৰ আশংকা প্ৰশমণৰ কৌশল আৰু পদ্ধতিসমূহৰ উন্নয়ন আৰু শক্তিশালীকৰণ প্ৰকল্প, অসম"ৰ অন্তৰ্গত হিচাপে প্ৰকাশিত এখনি বাৰ্তালোচনী। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাধ্যমেৰে সমাজত দুৰ্যোগৰ বিষয়ে সচেতনতা অনাই ইয়াৰ উদ্দেশ্য। সমাজৰ অংশ হিচাপে আপুনিও ইয়ালৈ লিখনি পথাব পাৰে।


ঠিকনা-মুখ্য কাৰ্যালয়-গ্ৰাম্য বিকাশ মঞ্চ,
১ নং বৰধনৰা, ডাক-দক্ষিণগাঁও,
পিন-৭৮১৩৫০, জিলা-নলবাৰী (অসম)


## সম্পাদনা সমিতি


**সম্পাদনা উপদেষ্টা ঃ** আব্দুল হাছিব, মহানন্দ পাঠক, মহানন্দ তালুকদাৰ, নয়নজ্যোতি ভূঞা আৰু ৰঞ্জিত দাস।

**মুখ্য সম্পাদক ঃ** পৃথ্বিভূষণ ডেকা

**কাৰ্য্যবাহী সম্পাদক ঃ** প্ৰদীপ মহন্ত

**সদস্য/সদস্যা ঃ** কমলেশ্বৰ ভূঞা, দিবাকৰ ডেকা, জীৱন কলিতা, প্ৰাঞ্জল চক্ৰৱৰ্ত্তী, অৰূপজ্যোতি দাস, মজাম্মিল হুছেইন, কামিনি মোহন বৰপাত্ৰ গোঁহাই, কমল কিশোৰ হাজৰিকা, শেৱালী ডেকা, সীমা তালুকদাৰ, দিলীপ বৈশ্য, অচ্যুত দাস, ৰবিন তালুকদাৰ, ববিতা দাস, চন্দন চক্ৰৱৰ্ত্তী আৰু অমল শৰ্মা।



"Suraksha Barta (2nd year Vol-I) a quarterly news letter, Published by 'Development Communication Cell' of Gramya Vikash Mancha, under PSDRR Project supported by DIPECHO & Actionaid.

গ্ৰাম্য বিকাশ মঞ্চৰ ডেভলেপমেণ্ট কমিউনিকেশ্যান চেলৰ দ্বাৰা "দূৰ্যোগৰ ক্ষয়-ক্ষতিৰ আশংকা প্ৰশমণৰ কৌশল আৰু পদ্ধতিসমূহৰ উন্নয়ন আৰু শক্তিশালীকৰণ প্ৰকল্প, অসম"ৰ অধীনত 'ইকো' আৰু একচন এইডৰ অৰ্থসাহায্যত প্ৰকাশিত।